Total No. of Printed Pages—4

**5 SEM TDC ASM M 1**

**2015**

( November )

ASSAMESE

( Major )

Course : 501

( সাহিত্যতত্ত্ব আৰু সমালোচনা )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) কবিতাৰ ৰূপসমূহ উল্লেখ কৰি যি কোনো তিনিটা কাব্যৰূপৰ বিষয়ে লিখাঁ। ৩+১১=১৪

অথবা

(খ) উপন্যাসৰ উপাদানসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ১৪

২। চমু টোকা লিখাঁ (যি কোনো এটা) : ৫

(ক) চুটিগল্পৰ লক্ষ্যৰ একমুখিতা আৰু ফলশ্ৰুতিৰ একময়তা

(খ) নাটকৰ ঐক্যত্ৰয়

৩। (ক) সাহিত্য সমালোচনাৰ বিবিধ পদ্ধতিৰ বিষয়ে উল্লেখ কৰি ঐতিহাসিক সমালোচনা পদ্ধতিৰ বিষয়ে আলোচনা কৰাঁ। ৩+১০=১

অথবা

(খ) তুলনামূলক সমালোচনা আৰু বিশ্লেষণাত্মক সমালোচনা পদ্ধতিৰ এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰাঁ।

৪। (ক) স্থায়ী ভাৱ, বিভাৱ আৰু অনুভাৱৰ চমু পৰিচয় দি কাব্যত ৰসৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰাঁ। ৬+৭ ১

অথবা

(খ) শব্দ শক্তি কেইপ্ৰকাৰৰ আৰু কি কি? অভিধা আৰু ব্যঞ্জনাৰ বিষয়ে উদাহৰণসহ আলোচনা কৰাঁ। ৪+৯=১

৫। (ক) কাব্যৰ অলংকাৰ বুলিলে কি বুজা? যি কোনো চাৰিবিধ শব্দালংকাৰৰ বিষয়ে উদাহৰণসহ আলোচনা কৰাঁ। ৪+১০=

অথবা

(খ) অৰ্থালংকাৰক কি কি ভাগত ভাগ কৰিব পাৰি? ভ্ৰান্তিমান, অতিশয়োক্তি আৰু সমাসোক্তি অৰ্থালংকাৰৰ উদাহৰণসহ সংজ্ঞা আগবঢ়োৱাঁ। ৪+১০=১

৬। (ক) উদাহৰণসহ চমু টোকা লিখাঁ : ৫+৪+৪=১৩

(১) মাত্রা অথবা পদ

(২) যতি অথবা লয়

(৩) দুলড়ী ছন্দ অথবা ছবি ছন্দ

*অথবা*

(খ) স্বৰবৃত্ত ছন্দৰীতি আৰু মুক্তক ছন্দৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰাঁ। ১৩

৭। নিৰ্দেশ অনুসৰি চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) "কবিতা হ'ল, সংগীতময় চিন্তা।" কাৰ উক্তি?

(১) অডেন

(২) মেথিউ আৰ্নল্ড

(৩) কাৰ্লাইল

( সঠিক বিকল্পটো বাচি উলিওৱা )

(খ) সমালোচকে সাহিত্যৰ গুণাগুণ নিৰ্ণয়ৰ ক্ষেত্ৰত গ্ৰহণ কৰা মূল্যমান তিনিটা কি কি?

(গ) 'সাহিত্য বিদ্যা পৰিক্ৰমা' গ্ৰন্থখনৰ লেখকৰ নাম কি?

(ঘ) খালী ঠাই পূৰ কৰাঁ :

"প্ৰত্যেক শব্দৰ পৰা মুখ্য অৰ্থক লৈ আন যি অৰ্থ ওলায় তাক বোধ কৰোৱা শক্তিক ____ বোলে।"

(ঙ) "কাব্য শোভাকৰান্ ধৰ্মানলঙ্কাৰান্ প্ৰচক্ষতে।" কথাষাৰ কোনে কৈছিল?

*(Turn Over)*

(চ) ড০ মহেন্দ্ৰ বৰাৰ মত অনুসৰি অসমীয়া ছন্দসজ্জাসমূহৰ ভিতৰত প্ৰাচীনতম ছন্দসজ্জাটিৰ নাম কি?

(ছ) "লাচিত ফুকন লাচিত ফুকন মোৰ স্বদেশৰ বীৰ
দেশৰ কাৰণে তাহানি এদিন যাচিলা নিজৰ শিৰ
দেশৰ কাৰণে মুক্তিৰ হকে অন্যায় ৰোধি বীৰ
নৰ-শোণিতেৰে কৰিলা আৰতি দেশৰ জয়শ্ৰীৰ।"

এই কবিতাফাঁকি কোন ছন্দৰীতিত ৰচিত?

(১) মাত্ৰাবৃত্ত ছন্দৰীতি

(২) যৌগিক ছন্দৰীতি

(৩) স্বৰবৃত্ত ছন্দৰীতি

(জ) 'অভিধা'ৰ আন এটা নাম লিখাঁ।

★★★